Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১২

লোকসংস্কৃতি

অংশ - ১

প্ৰণীতা শৰ্মা বৰদলৈ



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লেখক-পৰিচয়

ডঃ নবীন চন্দ্ৰ শৰ্মা -

ডঃ শৰ্মাই প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত সামৰণি মাৰে। সুদীৰ্ঘ ৪৬ বছৰ শিক্ষকতা কৰি শিক্ষাৰ ক্ষেত্ৰত এক লেখত ল'বলগীয়া অৱদান আগবঢ়ায়। বিশেষকৈ অসমৰ লোকসাহিত্য আৰু লোকসংস্কৃতিৰ বিষয়ে তেওঁ গভীৰ জ্ঞান আয়ত্ত কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



'অসমৰ ওজাপালি' নামৰ পুথিখনৰ যোগেদি তেওঁ হেৰাই যাব ধৰা ওজাপালি অনুষ্ঠানটোক অসমৰ ৰাইজৰ ওচৰত মেলি ধৰে। ডং শর্মাই আমেৰিকাৰ কেলিফর্ণিয়ালৈকো লোক-সাহিত্যৰ সন্ধানত গৈছিল। তাত তেওঁ এই সংক্রান্তত কেইবাখনো বিশ্ববিদ্যালয় দর্শন কৰে। লোক-সাহিত্য বিষয়ক আৰু পুৰণি সাহিত্যকে ধৰি তেওঁ প্রায় ৯৭- খন পুথি ৰচনা কৰি প্রকাশ কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লোকসংস্কৃতি

কর্মজীৱনত কেইবাটিও বঁটা লাভ কৰা ডঃ শর্মাই অসম চৰকাৰৰ পৰা সাহিত্যিক পেঞ্চনো লাভ কৰে। 'লোকসংস্কৃতি' নো কাক বোলে- এই বিষয়ে আলোচনা কৰাৰ আগতে 'লোক' আৰু 'সংস্কৃতি' পদ দুটাৰ বিষয়ে কিছু কথা কোৱা উচিত হ'ব। আমি পোনতে আলোচনা কৰোঁ 'লোক' পদটোৰ অর্থৰ বিষয়ে। লোক শব্দটোৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সলনি জন, গঞা, গণ আদি শব্দ ব্যৱহাৰ কৰিব পাৰি। আমি ৰাইজ বুলিলে যি বুজোঁ- তেনে অর্থকেই 'লোক' পদটোৱে বুজায়। লোকসংস্কৃতিৰ পণ্ডিত ডং প্রফুল্ল দত্ত গোস্বামীয়ে 'বিশেষভাৱে লিখা-পড়া নথকা গঞা লোককেই সাধাৰণতে লোক বা জন বুলি আখ্যা দিছিল। লোক বা জনৰ যি আচাৰ-অনুষ্ঠান, গীত-পদ, নৃত্য-নাচ, খোৱা-লোৱা, পিন্ধা-উৰা, পূজা-উপাসনা, ৰীতি-নীতি,

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

উৎসব-অনুষ্ঠান, খেলা-ধূলা আদিৰ সমষ্টিকে লোককৃষ্টি বা লোকসংস্কৃতি বা গঞাসংস্কৃতি বুলিব পাৰি। চমুকৈ জনসাধাৰণৰ বা লোকসাধাৰণৰ আচৰণৰ সমষ্টিয়েই হ'ল লোকসংস্কৃতি বা গঞাসংস্কৃতি বা সৰ্বসাধাৰণৰ সংস্কৃতি। লোক বা জন বা গঞালোক আৰু সমাজৰ বিশেষ কিছুমান বৈশিষ্ট্য আছে। যেনে- লোক বা জন বা গঞালোকসকল সাধাৰণতে গাঁৱে-ভূঞে বাস কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁলোক সাধাৰণতে চাকৰিজীৱী বা শিল্পজীবী নহয়, কৃষিজীৱীহে। এই ফালৰ পৰা তেওঁলোক খেতিয়ক। খেতিয়কসকল প্ৰায়ে নিৰক্ষৰ, অৰ্থাৎ পঢ়া-শুনা কৰিব নাজানে। তেওঁলোকে প্ৰায়ে হাতেৰে নানা বিধৰ সা-সঁজুলি সাজে। এনে সা-সঁজুলি প্ৰায়ে মাটি, বাঁহ, কাঠ, বেত আদিৰ পৰা প্ৰস্তুত কৰে। যন্ত্ৰশিল্প অৰ্থাৎ যন্ত্ৰত প্ৰস্তুত কৰা সঁজুলি গঞা ৰাইজে ব্যৱহাৰ কৰিব নোখোজে। তেওঁলোকৰ মাজত

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লিখা-পঢ়াৰ গুৰুত্ব তুলনামূলকভাৱে কম। ছপা-সমল বা কিতাপ-আলোচনী আদিত তেওঁলোকে কম গুৰুত্ব দিয়ে। মুখে মুখে চলি অহা গীত-পদ, কথা-কাহিনী, যোজনা-পটন্তৰ আদিত তেওঁলোকে তুলনামূলকভাৱে অধিক গুৰুত্ব দিয়ে। পিতাক-আতাক-ককাক, আবু-আইতাকৰ দিনৰে পৰা মুখে মুখে চলি অহা সাধুকথা বা ৰামায়ণ-মহাভাৰত বা কোৰান, বাইবেল, জাতক আদিৰ কথা শুনি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁলোকে সীমাহীন আনন্দ লাভ কৰে। নতুন কথা, নতুন উপদেশ আদিতকৈ তেওঁলোকে পীৰিয়ে পীৰিয়ে চলি অহা কথাবোৰতহে অধিক গুৰুত্ব দিয়ে। লোকসমাজত পুৰণি দিনৰ কথাৰহে অধিক সমাদৰ। চহৰীয়া বা নগৰীয়া মানুহৰ তুলনাত গঞালোক কিছু পৰিমাণে পিছ পৰা। লোকজীৱনত যুক্তিতকৈ বিশ্বাসত অধিক গুৰুত্ব দিয়া হয়। গভীৰ বিশ্বাসে পুৰণি ধৰণ-কৰণ, ৰীতি-নীতি,

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভূত-প্ৰেত, ধৰ্মীয়কৃত্য, ঔষধ-চিকিৎসা আদিৰ প্ৰতি তেওঁলোকৰ মন-প্ৰাণ সদা- সৰ্বদাই আকৃষ্ট কৰি থাকে। অতীতৰ প্ৰতি থকা বিশ্বাস আৰু আস্থাই তেওঁলোকক যাদু-পৰায়ণ কৰি তোলে। সেই কাৰণে তেওঁলোকে সৰ্বত্ৰতে অশৰীৰী ভূত-প্ৰেত, বাক-দ'ত, দেৱ-দেৱতাৰ লীলা-খেলা দেখিবলৈ পায়। বেমাৰ-আজাৰ, ৰোগ-ব্যাধি, প্ৰাকৃতিক ঘটনা-দুৰ্ঘটনা আদিতো তেওঁলোকে এই কাৰণে


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অদৃশ্য শক্তিৰ লীলা- খেলা দেখিবলৈ পায়। লোকসমাজক কোনো কোনো লোকতত্ত্ববিদে সমাজৰ নিম্নস্তৰৰ বুলি ক'ব খোজে যদিও এনে ধাৰণা গ্ৰহণ কৰিব নোৱাৰি। বিজ্ঞানসম্মত দৃষ্টিভংগী হ'লেই যে কোনো এখন সমাজ উচ্চতৰ হ'ব আৰু তাৰ বিপৰীতে লোক বা গঞ্জাসমাজ নিম্নতৰ হ'ব লাগিব তেনে কোনো কথা নাই। লোকসমাজৰ অংগীভূত মানুহে প্ৰায়ে গাঁৱে-ভূঞে বাস কৰে আৰু

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো




অভিজাত শ্ৰেণীৰ লোকসকল নগৰ-চহৰ আদিত বাস কৰে। হ'লেও এই ধাৰণা সদা-সৰ্বদাই গ্ৰহণযোগ্য হ'ব নোৱাৰে। কাৰণ, গাঁৱতো শিক্ষিত মানুহে বাস কৰে। তাৰ বিপৰীতে চহৰ বা নগৰতো গঞ্জালোকৰ বসতি দেখা যায়। নগৰ-চহৰৰ বিভিন্ন কাম-কাজৰ বাবে গঞ্জালোকৰ প্ৰয়োজন হয়। তেতিয়া গঞ্জালোকে চহৰ-নগৰত থাকি মজদুৰ বা কামিলাৰ ভূমিকা পালন কৰে আৰু এইদৰে তেওঁলোকে নগৰবাসী হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো


লোকসংস্কৃতি —



গঞ্জা সমাজে তেওঁলোকৰ বাবে প্রয়োজনীয় কর্ম সম্পাদন কৰে- এয়ে কৃতি অর্থাৎ কাম আৰু এই কামবোৰেই লোককৃতিৰূপে পৰিচয় লাভ কৰে। তাৰ বাহিৰেও বিভিন্ন কর্মৰ মাজতে তেওঁলোকে ঋতু, মাহ, পষ আদি অনুসৰি বিবিধ সভা-উৎসৱ সম্পাদন কৰে। সেই সভা-উৎসৱত গীত-নাচ, অভিনয় কৰা হয়। এই কামবোৰৰ সমষ্টিকে লোককৃষ্টি বোলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



লোককৃষ্টিৰ সাধাৰণ উত্তৰণেই লোকসংস্কৃতি। লোককৃষ্টিৰ পৰিমার্জনৰ জৰিয়তে শাস্ত্রীয় সংস্কৃতিৰ জন্ম হয়।

লোকসংস্কৃতিৰ বিষয়বস্তু প্রধানভাবে দুটা ভাগত ভগাব পাৰি। যেনে:

১। লোকসাহিত্য বা বাচিক কলা।

২। লোকজীৱন।

লোকসাহিত্য বা বাচিক কলাক কেইটিমান উপভাগত ভগাব পাৰি।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। লোক-সংস্কৃতি হ'ল

(ক) সকলোৰে সমষ্টি

(খ) লোকৰ কৃষ্টি

গ) জনসাধাৰণৰ আচৰণৰ সমষ্টি

ঘ) এটাও নহয়

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। লোক সমষ্টিৰ প্ৰধানকে.....

(ক) তিনিটা ভাগত বিভক্ত

(খ) দুটা ভাগত বিভক্ত

গ) পাঁচটা ভাগত বিভক্ত

ঘ) বহুত ভাগত বিভক্ত